দৈনিক জনমভূমি

কীয়া, ষষ্ঠদশ বছৰ, সংখ্যা ২৩৩ ● মঙলবাৰ ● ১ জেঠ ● ১৯৪৫ শক ● THE DAINIK JANAMBHUMI ● Tinsukia ● Tuesday ● M

51808
TH CHARALI
9435180803,
7005120250,
SUKHANJAN
7002037117,
9954565426,
9435233402,
7002830041,

US
dation)
ৰ চেন্টাৰ

বিভিন্ন সা-সামগ্ৰীৰ লগতে মানপত্ৰ প্ৰদান কৰে।

ডিব্ৰুগড় ৰে'লৱে কৰ্মচাৰীৰ সৌজন্যত ৰঙালী বিহু সন্মিলন

লাহোৱাল ঃ নিজা সংবাদদাতা, ১৫ মে' ঃ ডিব্ৰুগড় ৰে'লৱে ৱাৰ্কশ্বপ কৰ্মীবৃন্দৰ সৌজন্যত ৰে'লৱে খেলপথাৰত (ল'ক ফিল্ড) আয়োজিত সপ্তম বাৰ্ষিক ৰঙালী বিহু সন্মিলনখন যোৱা ১২ আৰু ১৩ মে'ত অনুষ্ঠিত হয়। প্ৰথম দিনৰ বিহু পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি প্ৰতুল বৈশ্যই, বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ শুভাৰম্ভ কৰে কাৰাখানা উপ মুখ্য অভিযন্তা উৎপল শৰ্মাই, সহযোগ কৰে সম্পাদক সীমান্ত দাস আৰু সম্পাদিকা ডালিমা সোণোৱালে। সামাজিক অনুষ্ঠান আশ্বাসৰ সভাপতি মৃদুল হাজৰিকাই বিহু মঞ্চ উদ্বোধন কৰাৰ পাছতে ঢোলবাদন, বিহুনাচ, মৌ কুঁৱৰী আদি প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হয়। সাংস্কৃতিক মঞ্চ নবেল কিশোৰ পেগুৱে উদ্বোধন কৰাৰ পাছতে আকৰ্ষণীয় বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই বছৰৰ ৰে'লৰ শ্ৰেষ্ঠ বিহুৱতী সন্মান লাভ কৰে পাচী দুৱৰাই। দ্বিতীয় দিনা প্ৰশিক্ষক দিগন্ত বড়াৰ পৰিচালনাত আকৰ্ষণীয় ২০০গৰাকী নাচনিৰ বিহুনাচ পৰিৱেশন অনুষ্ঠানটো উদ্বোধন কৰে ৰে'লৱে চিকিৎলায়ৰ মুখ্য চিকিৎসক বিষয়া ডাঃ গৰখীয়া মেদকে। সাংস্কৃতিক মঞ্চৰ বন্তি প্ৰজ্বলন কৰে ৰে'লৱে বিহু প্ৰতিষ্ঠাপক সম্পাদক প্ৰসন্ন শইকীয়াই। ইয়াৰ পাছতে ৰে'লৰ মহিলা কৰ্মচাৰীসকলৰ সমৱেত সংগীতেৰে সাংস্কৃতিক সন্ধিয়া মুকলি কৰা অনুষ্ঠানটোত আমন্ত্ৰিত হুঁচৰি দল, বিহু দলৰ সাংস্কৃতিক কাৰ্যসূচী পৰিৱেশন কৰে। সপ্তম বাৰ্ষিক ৰঙালী বিহুৰ লগত সংগতি ৰাখি ধীৰাজ কোঁৱৰৰ সম্পাদনাত প্ৰকাশিত স্মৃতিগ্ৰন্থ 'বিৰিণা' উন্মোচন কৰি বিশিষ্ট সাহিত্যিক, কানৈ কলেজৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই ৰে'লৰ কৰ্মচাৰীসকলৰ এনে প্ৰশংসনীয় পদক্ষেপক শলাগ লয়। মুখ্য অতিথি হিচাপে উপস্থিত থকা সাংবাদিক, লেখক যাদৱ গগৈয়ে কৰ্ম ব্যস্ততাৰ মাজতে সৃষ্টিশীল কামতো কৰ্মচাৰীসকলে গুৰুত্ব দিয়াৰ বাবে প্ৰশংসা কৰে। বক্তব্যৰ মাজে মাজে তেওঁ বিহুনামৰ জৰিয়তে উন্মোচনী সভাখন সোণত সুৱগা কৰে। সভাখনত কবি অনুপম মহন্ত, চিকিৎসক গৰখীয়া মেদকৰ লগতে জীৱন বৰা, মনোজ কুমাৰ সোণোৱাল, মৃদুল হাজৰিকা, মণিবৰ দিহিঙীয়া, নয়নজ্যোতি দুলীয়া, তুলিকা ৰাভা, দ্বীপম হাজৰিকাকে ধৰি উদ্‌যাপন সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। নিশা কণ্ঠশিল্পী মানস ৰবীন, বিহু সম্ৰাট খগেন গগৈ, বিপুল চেতিয়া ফুকন, প্ৰিয়ংকা দিহিঙীয়া আৰু সীমা গগৈৰ সংগীতানুষ্ঠানেৰে জীপাল কৰি তোলে।

মৃত্যুৰ ৰাতৰি

শেষ শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে

নিৰাসী,অৱসৰপ্ৰাপ্ত বন বিষয়া,

মৌজাৰ অন্তৰ্গত বকুল মাজ গাঁৱৰ